# বিভাগীয় পত্ৰিকা

অসমীয়া বিভাগ ।। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ।।

প্ৰথম সংখ্যা ।। জুন, ২০১৮- মে', ২০২৩ ।।




সম্পাদক: বিদ্যুৎ দত্ত

সম্পাদনা সহযোগী: শিল্পী শৰ্মা, ড° কমী দাস

Scanned with OKEN Scanner

।। বিভাগীয় পত্রিকা।।
অসমীয়া বিভাগ।। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।।
প্ৰথম সংখ্যা।। জুন, ২০১৮- মে', ২০২৩।।

# DEPARTMENTAL NEWSLETTER

Department of Assamese
B. P. Chaliha College
Vol-I, June, 2018-May, 2023

সম্পাদক ঃ বিদ্যুৎ দত্ত
সম্পাদনা সহযোগী ঃ শিল্পী শৰ্মা, ড° ৰুমী দাস

Scanned with OKEN Scanner

Departmental Newsletter, Vol- I (June, 2018-May, 2023): *Departmental Newsletter, Vol- I* edited by Bidyut Dutta and published by Department of Assamese, B. P. Chaliha College, Nagarbera, Kamrup, Assam-781127.

## Editorial Board

**Advisors:**
Dr. Kamal Chandra Pathak
Principal, B. P. Chaliha College, Nagarbera
Arun Kr. Sarkar, Coordinator, IQAC, B. P. Chaliha College, Nagarbera

**Editor:**
Bidyut Dutta, HOD, Dept. of Assamese, B. P. Chaliha College, Nagarbera
**Sub Editors:**
Shilpi Sharmah
Asst. Professor, Dept. of Assamese, B. P. Chaliha College, Nagarbera
Dr. Rumi Das
Asst. Professor, Dept. of Assamese, B. P. Chaliha College, Nagarbera
**Member:**
Ira Das

**Printed at:** Dron Offset Printers & Publisher, Kahilipara, Guwahati-19

Scanned with OKEN Scanner

# বি.ষ.য়.সূ.চী.

- ☐ থোৰতে অসমীয়া বিভাগটো। ১
- ☐ বিভাগৰ বিভিন্ন শৈক্ষিক আৰু বিদ্যায়তনিক কাৰ্যসূচী। ২-১৮
- ☐ শিক্ষকৰ পৃষ্ঠা। ১৯-২৪
- ☐ বিভাগৰ প্ৰকাশন।২৫

Scanned with OKEN Scanner

# থোৰতে অসমীয়া বিভাগটো

**অসমৰ** কামৰূপ জিলৰ অগ্ৰণী শিক্ষানুষ্ঠানসমূহৰ ভিতৰত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় অন্যতম। ই অসমৰ দক্ষিণ দিশৰ নগৰবেৰা নামৰ ঐতিহাসিক ঠাইত অৱস্থিত। ১৯৭২ চনত প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনৰ জন্মলগ্নৰে পৰা যিকেইটা বিভাগে পাঠদান আগবঢ়াই আহিছে, অসমীয়া বিভাগ সেইসমূহৰ অন্যতম। আৰম্ভণিৰে পৰা এই বিভাগটোৰে উচ্চতৰ মাধ্যমিকৰ পৰা আৰম্ভ কৰি স্নাতক পৰ্যায়লৈকে দুয়োটা ক্ষেত্ৰতে পাঠদান আগবঢ়াই আহিছে। এই বিভাগটোৰে বিগত সময়ছোৱাত মানৱ সম্পদ সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছে। বিভাগটোত অধ্যয়ন কৰি যোৱা বহুকেইজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰী অসমৰ বিভিন্ন মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত অধ্যাপনাৰ সৈতে জড়িত হৈ থকাৰ সমান্তৰালভাৱে অন্যান্য ক্ষেত্ৰতো সফলতাৰে নিয়োজিত হৈ আছে। এই বিভাগটোৰে মহাবিদ্যালয়খনৰ সাহিত্য চৰ্চাৰ পৰিৱেশটো সুদৃঢ় ৰূপত ধৰি ৰখাৰ লগতে বৃহত্তৰ নগৰবেৰা অঞ্চলটোৰ সাহিত্যৰ ক্ষেত্ৰখনকো বিশেষভাৱে দিক্-নিৰ্দেশনা কৰিছে। বিভাগটোৰ সৈতে 'জ্যোতি পুথিভঁৰাল' নামেৰে পুথিভঁৰাল এটিও সংযুক্ত হৈ আছে। এই পুথিভঁৰালটোত প্ৰায় ১৫০০ মান অসমীয়া আৰু অন্যান্য ভাষাৰ গ্ৰন্থ আছে। গ্ৰন্থসমূহ ছাত্ৰ-ছাত্ৰীসকলে ঘৰলৈ নি পঢ়িব পৰাৰো এক বিজ্ঞানসন্মত পদ্ধতি বিভাগটোত আছে। ইয়াৰ লগতে বিভাগটোৰ আন গুৰুত্বপূৰ্ণ অংগ হ'ল ইয়াৰ সাংস্কৃতিক সংগ্ৰহালয়টো। সংগ্ৰহালয়টো স্থাপন কৰা হৈছিল ২০০৪ চনত। এই সংগ্ৰহালয়টোত অসমৰ সমাজ-সংস্কৃতিৰ বহুতো আপুৰুগীয়া সম্পদ সংৰক্ষিত হৈ আছে। ভৱিষ্যতে এই সংগ্ৰহালয়টোক আৰু অধিক প্ৰসাৰিত আৰু বিজ্ঞানসন্মত ৰূপত গঢ়ি তোলাৰ স্বপ্নও বিভাগটোৱে পুহি ৰাখিছে।

বিভাগটোৱে বিগত সময়খিনিত মহাবিদ্যায়ৰ সাহিত্য চৰ্চাৰ পৰিৱেশটোক গতিশীল কৰি ৰখাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাই আহিছে। অসমীয়া ভাষা-সাহিত্যৰ সৈতে জড়িত কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰি উলিওৱাৰ সমান্তৰালভাৱে বিভাগটোৱে নিয়মীয়াকৈ 'পংকজ' নামেৰে গৱেষণা পত্ৰিকা এখনো প্ৰকাশ কৰি আহিছে। বিভাগীয় হাতেলিখা আলোচনী আৰু প্ৰাচীৰ পত্ৰিকাৰ নিৰ্মাণৰ ক্ষেত্ৰতো বিভাগটোৱে মহাবিদ্যালয়খনিৰ লগতে অন্যান্য লোকৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ এই বিভাগটোৱে বিগত সময়খিনিত নিয়মীয়াকৈ বাৰ্ষিক বক্তৃতানুষ্ঠান, আলোচনাচক্ৰ আৰু ওৱেবিনাৰৰো আয়োজন কৰি আহিছে। বিভাগটোৰ অ্যতম গুৰুত্বপূৰ্ণ অংগ হ'ল— 'সাহিত্য কানন' অনুষ্ঠানটো। এই অনুষ্ঠানটোৱে অসম তথা ভাৰতৰ বিশিষ্ট বিদ্বান পণ্ডিতসকলক আমন্ত্ৰণ কৰি প্ৰতিবছৰে দেৱপ্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰি আহিছে। এনেকৈয়ে মহাবিদ্যালয়খনৰ সুস্থ ৰুচিবোধ আৰু বৌদ্ধিক চিন্তা-চৰ্চাৰ ধাৰাটোক অটুত ৰখাত এই অনুষ্ঠানটোৱে বিশেষ অৰিহণা যোগাইছে। ইৰোপৰি শেহতীয়াকৈ ২০২২ চনৰ পৰা বিভাগটোৱে কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত সংস্কৃত শিক্ষাৰ এক বিশেষ পাঠ্যক্ৰমৰো ব্যৱস্থা কৰিছে— যিয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক সংস্কৃত শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিব বুলি ধাৰণা কৰা হৈছে।

Scanned with OKEN Scanner

## কামৰূপ জিলাৰ হাজোলৈ বিদ্যায়তনিক যাত্ৰা



**বিমলা** প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষকসকলে চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ যোৱা ইংৰাজী ০৮ অক্টোবৰ, ২০১৮ তাৰিখে অসমৰ কামৰূপ জিলাৰ হাজোলৈ এক শিক্ষামূলক ভ্ৰমণ কৰে। এই শিক্ষামূলক ভ্ৰমণটোৰ মূল উদ্দেশ্য আছিল বিভাগৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ 'ক্ষেত্ৰ অধ্যয়ন' (Field Study) কাকতখনৰ প্ৰয়োজন পূৰ্তি। এই কাকতখনৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলে উক্ত ঠাইখনৰ সমাজ-সংস্কৃতি-ভাষা-ঐতিহাসিক স্থান আদি সম্পৰ্কত অধ্যয়ন কৰি প্ৰতিবেদন প্ৰস্তুত কৰি বিভাগত দাখিল কৰিব লাগে। উক্ত যাত্ৰাটোত বিভাগৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে— নগেন্দ্ৰ নাৰায়ণ দেৱান, দীপ্তিৰেখা পাঠক মজুমদাৰ, শ্যামাচৰণ ঠাকুৰীয়াকে ধৰি বিভাগৰ মুঠ ২৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উক্ত শৈক্ষিক কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত সহায় কৰিব বুলি বিভাগৰ শিক্ষকসকলে বিশ্বাস কৰিছে।

## দেৱপ্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান, ২০১৮



**বিমলা** প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ 'সাহিত্য কানন'ৰ উদ্যোগত আৰু শিক্ষক গোট, কৰ্মচাৰী গোটৰ সহযোগত যোৱা ইংৰাজী ১১ ডিচেম্বৰ, ২০১৮ তাৰিখে মহাবিদ্যালয় চৌহদত দেৱপ্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠানটোৰ আয়োজন কৰা হয়। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়াৰ স্মৃতি দিৱস হিচাপে প্ৰতিবছৰে তেওঁৰ মৃত্যু তিথিৰ দিনাখন এই অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অৱশ্যে কোনো বছৰত বিশেষ সমস্যাবশতঃ ÎîÃÒ÷ÔÃ ৯ অক্টোবৰত অনুষ্ঠিত কৰিব নোৱাৰিলে পৰৱৰ্তী সুবিধাজনক তাৰিখ এটা বাচি লোৱা হয়। এই বৰ্ষও তেনে কিছু অসুবিধাৰ বাবে ডিচেম্বৰ মাহৰ ১১ তাৰিখটো নিৰ্ধাৰণ কৰা হৈছিল। উক্ত অনুষ্ঠানটোলৈ এইবাৰ মূল সমল ব্যক্তি হিচাপে আমন্ত্ৰণ কৰি অনা হৈছিল অসমৰ বিশিষ্ট নাট্যকৰ্মী কুশল ৰাভাক। তেওঁ



Scanned with OKEN Scanner

'চেৰেগা সাংস্কৃতিক গোষ্ঠী'টোৰ জন্মদাতা। তেওঁৰ বক্তৃতাৰ বিষয় আছিল— 'অসমৰ জনগোষ্ঠীয় নৃত্য'। উক্ত অনুষ্ঠানটোত মহাবিদ্যালয়ৰ প্ৰায় ডেৰ শতাধিক শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল। ৰাভাৰ বক্তব্য আৰু বাঁহী প্ৰদৰ্শনে সভাত উপস্থিত সকলোকে আপ্লুত কৰি ৰাখিছিল।

## দেৱপ্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান, ২০১৯

### বিষয়ঃ 'অসমৰ লোকসংস্কৃতিত ঢোল বাদ্যৰ প্ৰাসংগিকতা'

**বিমলা** প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ 'সাহিত্য কানন'ৰ উদ্যোগত আৰু শিক্ষক গোট, কৰ্মচাৰী গোটৰ সহযোগত যোৱা ইংৰাজী ৩০ অক্টোবৰ, ২০১৯ তাৰিখে মহাবিদ্যালয় চৌহদত এই বৰ্ষৰ দেৱপ্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠানটি আয়োজিত হৈ যায়। এইবছৰৰ এই অনুষ্ঠানটিৰ মূল সমল ব্যক্তি আছিল 'ঢোলৰ ওজা'ৰূপে খ্যাত অসমৰ প্ৰসিদ্ধ ঢুলীয়া সোমনাথ বৰা। তেওঁৰ বক্তব্যৰ বিষয় আছিল— 'অসমৰ লোকসংস্কৃতিত ঢোল বাদ্যৰ প্ৰাসংগিকতা'। বক্তব্যৰ উপৰিও সমল ব্যক্তিগৰাকীয়ে উপস্থিত দৰ্শকৰ সমুখত ঢোলবাদ্য পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। অসমীয়া বিভাগৰ সবল নেতৃত্বত অনুষ্ঠিত





হোৱা উক্ত অনুষ্ঠানটোত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে নগৰবেৰাৰ অন্য বহু ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠানটোৱে সমগ্ৰ নগৰবেৰা অঞ্চলক সাংস্কৃতিকভাৱে সমৃদ্ধিশালী কৰিব বুলি বিভাগটোৱে আশা কৰে।





Scanned with OKEN Scanner

# ৰাষ্ট্ৰীয় আলোচনাচক্ৰ, ২০২০

## বিষয় ঃ 'অসমীয়া চুটিগল্প আৰু নাটকৰ ক্ৰমবিকাশ'

**যোৱা** ইংৰাজী ০৬ আগষ্ট, ২০২০ তাৰিখে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। বিভাগৰ মুৰব্বী শ্বাহজামাল মোল্লাই সঞ্চালনা কৰা উক্ত আলোচনাচক্ৰখনত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাই আদৰণি ভাষণ প্ৰদান কৰে। বিভাগৰ সহযোগী অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়াই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি অসমীয়া চুটিগল্প আৰু নাটকৰ ইতিহাস অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে চমু মন্তব্য আগবঢ়ায়। আলোচনাচক্ৰখনত সমল ব্যক্তি হিচাপে উপস্থিত তাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী প্ৰাধ্যাপক ড° বিমল মজুমদাৰ আৰু মির্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° জগন্নাথ বৰ্মন। ড° বিমল মজুমদাৰে অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশ সম্পৰ্কত এক মনোগ্ৰাহী বক্তৃতা আগবঢ়ায়। অসমীয়া চুটিগল্পৰ ইতিহাস সম্পৰ্কত আলোচনা আগবঢ়াই তেওঁ কয় যে— বেজবৰুৱাৰ হাতত জন্মলাভ কৰা অসমীয়া চুটিগল্পৰ ধাৰাটোৱে বৰ্তমানে এক সমৃদ্ধিশালী ধাৰা ৰূপে পৰিচিত হৈছে। এই সম্পৰ্কত যথেষ্ট অধ্যয়ন আৰু গৱেষণাৰ আৱশ্যকতা আছে। আনহাতে, আলোচনাচক্ৰখনৰ অন্য এগৰাকী সমল ব্যক্তি ড° জগন্নাথ বৰ্মনে অসমীয়া নাট্য সাহিত্যৰ জন্ম আৰু ক্ৰমবিকাশ সম্পৰ্কত এক তথ্যনিষ্ঠ আৰু গভীৰ বক্তৃতা আগবঢ়ায়। অসমীয়া চুটিগল্প আৰু নাটকৰ জন্ম আৰু ক্ৰমবিকাশ সম্পৰ্কত অনুষ্ঠিত হোৱা আলোচনাচক্ৰখনে অংশগ্ৰহণকাৰীসকলৰ বৌদ্ধিক-মানসিক বিকাশৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি বিভাগটোৱে বিশ্বাস কৰিছে।







Scanned with OKEN Scanner

# গ্ৰন্থ উন্মোচনী সভা, ২০২১

## গ্ৰন্থ ঃ অধ্যাপক শ্যামাচৰণ ঠাকুৰীয়াৰ জীৱন আৰু ব্যক্তিত্ব

**বিমলা** প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী আৰু সহযোগী অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়াৰ বৰ্ণিল জীৱন পৰিক্ৰমাক লৈ অসমীয়া বিভাগে প্ৰস্তুত কৰা 'শ্যামা চৰণ ঠাকুৰীয়া ঃ জীৱন আৰু ব্যক্তিত্ব' শীৰ্ষক গ্ৰন্থখন বিভাগৰ শ্ৰেণীকোঠাত অনুষ্ঠিত হোৱা এখনি সভাত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাই। অধ্যক্ষ পাণ্ডাই গ্ৰন্থখন উন্মোচন কৰি এনেধৰণৰ কাম আৰু চিন্তাৰ বাবে বিভাগটোক প্ৰশংসা কৰে। মহাবিদ্যালয়ৰ শৈক্ষিক-বিদ্যায়তনিক ক্ষেত্ৰখনত এয়া এক উৎকৃষ্ট নিদৰ্শন হৈ ৰ'ব বুলিও অধ্যক্ষ ড° পাণ্ডাই তেওঁৰ বক্তব্যত কয়। গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ লগতে বিভাগৰ প্ৰাক্তন সহযোগী অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়াক বিদায় সম্বৰ্ধনাও জ্ঞাপন কৰা হয়। বিভাগৰ মুৰব্বী অধ্যাপক শ্বাহজামাল মোল্লাই সভাপতিত্ব কৰা উক্ত অনুষ্ঠানটোত অধ্যক্ষৰ লগতে ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক নুৰ আলম, বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক বিপুল বৰপূজাৰীৰ লগতে বিভাগৰ শিক্ষক বিদ্যুৎ দত্ত, এলিয়াছ হাছান চাহাবুল ইছলামৰ লগতে প্ৰায় ৭০ গৰাকী ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাত উপস্থিত আটাইকেইগৰাকী অধ্যাপকে অসমীয়া বিভাগৰ এনেধৰণৰ প্ৰশংসনীয় কামৰ শলাগ লৈ মহাবিদ্যালয়ৰ অন্য বিভাগেও এইধৰণৰ কামৰ ক্ষেত্ৰত অসমীয়া বিভাগক অনুসৰণ কৰাটো প্ৰয়োজন বুলি কয়। অনুষ্ঠানৰ শেষত বিভাগৰ অধ্যাপক বিদ্যুৎ দত্তই শলাগৰ শৰাই আগবঢ়ায়। ■




# বিভাগীয় আলোচনাচক্ৰ, ২০২১

**অসমীয়া** বিভাগটোৱে প্ৰতিবছৰেই বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মানসিক উত্তৰণৰ কথা মনত ৰাখি বিভাগীয় গৱেষণাচক্ৰ অনুষ্ঠিত কৰি আহিছে। এইবছৰো ১৬ মাৰ্চ, ২০২১ তাৰিখে বিভাগৰ শ্ৰেণীকোঠাত অনুষ্টুপীয়াকৈ এখনি আলোচনাচক্ৰ অনুষ্ঠিত হয়। বিভাগটোৰ ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে 'ক্ষেত্ৰ-অধ্যয়ন' কাকতখনৰ আধাৰত প্ৰস্তুত কৰা আলোচনাপত্ৰসমূহ উক্ত অনুষ্ঠানত উপস্থাপন কৰে। বৃহত্তৰ নগৰবেৰা অঞ্চলৰ ভাষা-সমাজ-সংস্কৃতি সম্পৰ্কিত ভিন্ন বিষয়ত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ আলোচনাপত্ৰসমূহ





Scanned with OKEN Scanner

উপস্থাপন কৰে। আলোচনাচক্ৰখনৰ সঞ্চালক হিচাপে বিদ্যুৎ দত্তই ছাত্ৰ-ছাত্ৰীসকলৰ আলোচনাপত্ৰসমূহৰ বিভিন্ন খুঁতি-নাতিৰ লগতে পৰামৰ্শও আগবঢ়ায়। আলোচনাপত্ৰসমূহত ফুটি উঠা নগৰবেৰাৰ সমাজ জীৱনৰ বিভিন্ন দিশ সম্পৰ্কতো দত্তই আলোকপাত কৰে। বিভাগৰ সহকাৰী অধ্যাপিকা শিল্পী শৰ্মাই গৱেষণাৰ গুৰুত্ব আৰু সমাজ জীৱনৰ বিকাশত গৱেষণাই আগবঢ়াব পৰা অৱদান সম্পৰ্কত বক্তব্য ৰাখে। মুঠ ৫৫ গৰাকী ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটো বিভাগৰ শৈক্ষিক যাত্ৰাৰ ক্ষেত্ৰখনত এক বিশেষ সংযোজন বুলি অভিহিত কৰিব পাৰি।

## ৰাষ্ট্ৰীয় আলোচনাচক্ৰ, ২০২১

**অসমীয়া** বিভাগটোৱে ইয়াৰ নানাধৰণৰ শৈক্ষিক আৰু বৌদ্ধিক অনুষ্ঠান-আলোচনাচক্ৰ অনুষ্ঠিত কৰাৰ বাবে মহাবিদ্যালয়ৰ বিভাগসমূহৰ মাজত এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। বিভাগটোৰ এনে বিভিন্ন শৈক্ষিক কাৰ্যসূচীৰ অন্যতম হ'ল যোৱা ২০ জুন, ২০২১ তাৰিখে বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰখন। উক্ত অনলাইন আলোচনা চক্ৰখনৰ মূল সমল ব্যক্তি আছিল দমদমা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° চন্দনজ্যোতি চুতীয়া। তেওঁৰ আলোচনাৰ বিষয় আছিল 'বিষ্ণুপ্ৰসাদ ৰাভাৰ আৰ্থ-ৰাজনৈতিক দৃষ্টিকোণ'। উক্ত বিষয়







সম্পৰ্কত আলোচনা আগবঢ়াবলৈ গৈ তেওঁ ৰাভাৰ সাহিত্য চৰ্চাৰ পটভূমি আৰু বৈশিষ্ট্য সম্পৰ্কতো ব্যাখ্যা আগবঢ়ায়। আলোচনাচক্ৰখনত বিষ্ণুপ্ৰসাদ ৰাভাৰ সুযোগ্য সন্তান, তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভা মুখ্য অতিথিৰ ৰূপত উপস্থিত থাকে। তেওঁ পিতৃ বিষ্ণুপ্ৰসাদ ৰাভাৰ সম্পৰ্কত বক্তব্য ৰাখি বহু গুৰুত্বপূৰ্ণ কথা দাঙি ধৰে। এই আলোচনাচক্ৰখনৰ সঞ্চালনাৰ দায়িত্বত থাকে বিভাগৰ মুৰব্বী শ্বাহজামাল মোল্লা। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডা আৰু আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° ধীৰেশ চক্ৰৱৰ্তীয়ে উক্ত আলোচনাচক্ৰখনত তেওঁলোকৰ মন্তব্য দাঙি ধৰে। বিষ্ণুপ্ৰসাদ ৰাভাৰ চিন্তা-চেতনা সম্পৰ্কত উক্ত আলোচনাচক্ৰখনে অংশগ্ৰহণকাৰীসকলক উপকৃত কৰিছে বুলি ভাবিব পাৰি।




Scanned with OKEN Scanner

# আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ, ২০২১

## বিষয় ঃ ‘সংস্কৃত আৰু পাৰ্চী ভাষাৰ সুবাস আৰু আধুনিক ভাৰতীয় ভাষাত ইয়াৰ প্ৰকাশ’

**ক’ভিড-১৯** য়ে সমগ্ৰ বিশ্বৰ সমান্তৰালভাৱে ভাৰতবৰ্ষকো বিপৰ্যস্ত কৰি তোলাৰ সময়তে বিশ্বৰ লগতে ভাৰতবৰ্ষতো অনলাইন মাধ্যমেৰে বিভিন্ন শৈক্ষিক কাৰ্যসূচী চলাই নিয়াৰ চেষ্টা কৰা হ’ল। এইধৰণৰ শৈক্ষিক কাৰ্যসূচীৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক ক’ৰনাৰ বিভীষিকাৰ মাজতো সক্ৰিয় আৰু সতেজ কৰি ৰখাৰ চেষ্টা কৰা হৈছিল। অসমীয়া বিভাগটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশটো সক্ৰিয় কৰি ৰখাৰ উদ্দেশ্যে এনেধৰণৰ বিভিন্ন অনলাইন অনুষ্ঠানৰ আয়োজন কৰিছিল। এনে এক অনুষ্ঠান আছিল ১৬ জুলাই, ২০২১ তাৰিখে অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰখন। উক্ত আলোচনাচক্ৰখনৰ বিষয় আছিল ‘সংস্কৃত আৰু পাৰ্চী ভাষাৰ সুবাস আৰু আধুনিক ভাৰতীয় ভাষাত ইয়াৰ প্ৰকাশ’। শ্বাহ জামাল মোল্লাই সঞ্চালনা




কৰা উক্ত আলোচনা চক্ৰখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ সংস্কৃত সাহিত্য বিভাগৰ মুৰব্বী অধ্যাপক ড° কে. পাণ্ডে, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পাৰ্চী বিভাগৰ অধ্যাপক ড° এ. আহমদ আহান, আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ বৈদিক দৰ্শন বিভাগৰ অধ্যাপক ড° এছ. কে. পাঢ়ি। আলোচনাচক্ৰখনৰ আৰম্ভণিতে উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাই। মুঠ ১০০ ৰো অধিক অংশগ্ৰহণকাৰী সংযুক্ত হোৱা অনুষ্ঠানটোৱে সমগ্ৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশটোক এক অনন্য মাত্ৰা প্ৰদান কৰিছে বুলি বহু অংশগ্ৰহণকাৰীয়ে তেওঁলোকৰ মন্তব্য আগবঢ়ায়।




Scanned with OKEN Scanner


# আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ, ২০২১

## বিষয় ঃ ‘ড° ভূপেন হাজৰিকা ঃ আৰ্তজনৰ কণ্ঠস্বৰ’

**বিমলা** প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ সহযোগত যোৱা ২০২১ বৰ্ষৰ ৬ আগষ্ট তাৰিখে অনলাইন মাধ্যমেৰে এখনি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। আলোচনাচক্ৰখনৰ বিষয় আছিল— ‘ড° ভূপেন হাজৰিকা ঃ আৰ্তজনৰ কণ্ঠস্বৰ’। বিভাগৰ মুৰব্বী শ্বাহজামাল মোল্লাই সঞ্চালনা কৰা অনুষ্ঠানটোৰ উদ্বোধন কৰে মহাবিদ্যালয়ৰ তদানীন্তন অদ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাই। আলোচনাসত্ৰখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ঢাকা বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ অধ্যাপক ড° হস্নে আৰা আহমেদ আৰু স্কটলেণ্ডৰ এডিনবাৰ্গ বিশ্ববিদ্যালয়ৰ গৱেষক শশীকান্ত বুকালছাৰিয়া। দুয়োজন বক্তাই আগবঢ়োৱা মৌলিক আৰু জ্ঞানগৰ্ভ বক্তৃতাই উপস্থিত সকলোকে আপ্লুত আৰু সমৃদ্ধ কৰে। বিশ্বৰ অন্য প্ৰান্তৰ ব্যক্তিয়ে ভূপেন হাজৰিকাক কেনেধৰণে




বুজে সেই বিষয়েও আলোচনাচক্ৰখনৰ পৰা উপস্থিত দৰ্শক-শ্ৰোতাই এটা আভাস পাইছে বুলি ভাবিব পাৰি। উক্ত আলোচনাচক্ৰখনে অংশগ্ৰহণকাৰীসকলক সমৃদ্ধ কৰাৰ উপৰিও মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশটোক এক বিশেষ গতি প্ৰদান কৰিলে বুলি ভবাৰ অৱকাশ আছে। আলোচনাচক্ৰখনৰ মুঠ অংশগ্ৰহণকাৰীৰ সংখ্যা আছিল ১১০ জন।



Scanned with OKEN Scanner

# শিক্ষামূলক ভ্ৰমণ, ২০২২

## অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিত অনুষ্ঠিত হোৱা গ্ৰন্থমেলালৈ শিক্ষামূলক ভ্ৰমণ

**বিমলা** প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দুগৰাকী শিক্ষক ক্ৰমে— বিদ্যুৎ দত্ত আৰু শিল্পী শৰ্মাৰ নেতৃত্বত বিভাগটোৰ মুঠ ১০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ২০২২ বৰ্ষৰ ১ জানুৱাৰী তাৰিখে গুৱাহাটীৰ চানমাৰিস্থিত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা গ্ৰন্থমেলাত অংশগ্ৰহণ কৰে। বিভাগটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, মানসিক আৰু বৌদ্ধিক উত্তৰণৰ বাবে সময়ে সময়ে লৈ অহা বিভিন্ন কাৰ্যপন্থাৰ ভিতৰত এইধৰণৰ কাৰ্যপন্থাও অন্যতম। শৈক্ষিক কাৰ্যসূচীৰ অন্যতম অংশ হিচাপে বিভাগটোৱে বিভিন্ন সময়ত এনেধৰণৰ শিক্ষামূলক ভ্ৰমণ কৰি আহিছে। গ্ৰন্থমেলা ভ্ৰমণ আৰু পৰিচিত-অপৰিচিত কিতাপৰ সুঘ্ৰাণে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক পৰিসৰ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।






# বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'দৃষ্টি- ২০২২' উন্মোচন

**বিভাগৰ** ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ মাধ্যম হিচাপে বিভাগটোৱে অন্যান্য আলোচনী প্ৰকাশ কৰাৰ সমান্তৰালভাৱে প্ৰতিবছৰেই বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'দৃষ্টি' প্ৰকাশ কৰি আহিছে। ২০২২ বৰ্ষৰ সংখ্যাটো যোৱা ২১ ফেব্ৰুৱাৰী, ২০২২ তাৰিখে উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে তদানীন্তন অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্বাহজামাল মোল্লাই। অধ্যাপক মোল্লাই পত্ৰিকাখন উন্মোচন কৰি প্ৰাচীৰ পত্ৰিকাৰ ইতিহাস আৰু ক্ৰমবিকাশ সম্পৰ্কত চমুকৈ বক্তব্য ৰখাৰ লগতে প্ৰাচীৰ পত্ৰিকাখনৰ লগত জড়িত সকলো বিষয়ববীয়া আৰু সদস্যক ধন্যবাদ জ্ঞাপন কৰে আৰু এনেধৰণেই ভৱিষ্যতেও নিজ সৃষ্টিশীলতাৰ কৰ্ষণ ঘটাই যাবলৈ আহ্বান জনায়।







Scanned with OKEN Scanner

# বিভাগীয় আলোচনাসত্ৰ, ২০২২

**বিমলা** প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগে মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগত যোৱা ৭ মে', ২০২৪ তাৰিখে ছাত্ৰ-ছাত্ৰীসকলৰ গৱেষণামূলক কাম-কাজত সহায়ক হোৱাকৈ গৱেষণা পদ্ধতি সম্পৰ্কীয় এখন আলোচনাসত্ৰ অনুষ্ঠিত কৰে। আলোচনাসত্ৰখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়খনৰে ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° অঞ্জনজ্যোতি বৰা আৰু সহকাৰী অধ্যাপক ড° দিগন্ত কলিতা। আলোচনা সত্ৰখনত প্ৰায় ৫০ জনৰো অধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সমল ব্যক্তি দুয়োগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি গৱেষণা কৰ্ম এটাত আগবাঢ়োঁতে পালন কৰিবলগীয়া বিভিন্ন স্তৰ আৰু পদ্ধতিসমূহ পুংখানুপুংখবদ্ধভাৱে ফঁহিয়াই আলোচনা কৰে। ছাত্ৰ-ছাত্ৰীসকলেও







এই সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰি সমল ব্যক্তি দুয়োগৰাকীৰ সৈতে আলোচনাত মিলিত হয়। আলোচনা সত্ৰখনত উপস্থিত থকা বিভাগৰ মুৰব্বী শ্বাহজামাল মোল্লা, সহকাৰী অধ্যাপক বিদ্যুৎ দত্ত, শিল্পী শৰ্মা আৰু ইৰা দাসেও দুয়োগৰাকী সমল ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে আলোচনাত ভাগ লয়। আলোচনা সত্ৰখনে ছাত্ৰ-ছাত্ৰীসকলৰ বিচাৰ-বিশ্লেষণৰ দক্ষতাৰ বিকাশ ঘটোৱাৰ লগতে গৱেষণামূলক কামত আগুৱাই যোৱাত প্ৰেৰণা যোগাব বুলি বিভাগৰ মুৰব্বী শ্বাহজামাল মোল্লাই মত প্ৰকাশ কৰে।



Scanned with OKEN Scanner

# শিক্ষামূলক ভ্ৰমণ

## স্থান— অসমৰ শ্ৰেষ্ঠ চিকুণ ঠাই ৰাংচাপাৰা আৰু গোৱালপাৰাৰ ৰামপুৰত অনুষ্ঠিত Under the Sal Tree Theatre Festival-2022

**বিমলা** প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক-মানসিক বিকাশৰ উদ্দেশ্য আগত ৰাখি গোৱালপাৰা জিলাত অৱস্থিত অসমৰ আটাইতকৈ পৰিষ্কাৰ গাঁও ৰাংচাপাৰা আৰু ৰামপুৰ অঞ্চলত শুক্ৰাচাৰ্য ৰাভাই জন্ম দিয়া শালগছৰ মাজত প্ৰাকৃতিক পৰিৱেশত অনুষ্ঠিত ব্যতিক্ৰমী ধৰণৰ নাট্যানুষ্ঠান Under the Sal Tree Theatre Festival-2022 লৈ ভ্ৰমণ কাৰ্যসূচী হাতত লয়। এই শৈক্ষিক ভ্ৰমণত বিভাগৰ প্ৰায় ৩৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে যোগ দিয়ে। ১৭ ডিচেম্বৰ, ২০২২ৰ নাট্যানুষ্ঠানত মুম্বাইৰ ৰহি থিয়েটাৰৰ দ্বাৰা পুনৰবাসুৰ ৰচিত আৰু নেহা সিঙৰ পৰিচালিত 'ঝলকাৰী' নামৰ নাটকখন পুৱা ১০ বজাৰ পৰা প্ৰদৰ্শিত হয়। নাটকৰ শেষত বিভাগৰৰ মুৰব্বী শ্বাহজামাল মোল্লা আৰু সহকাৰী অধ্যাপক বিদ্যুৎ দত্ত, শিল্পী শৰ্মা আৰু ড° ৰুমী দাসে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে ভাৰত আৰু বিশ্বৰ বিভিন্ন স্থানত বিকাশ লাভ কৰা সাম্প্ৰতিক নাট্যধাৰাৰ বিষয়ে আলোচনা কৰে। লগতে মুৰব্বীগৰাকীয়ে










শুক্ৰাচাৰ্য ৰাভাৰ এই ব্যতিক্ৰমী ধৰণৰ প্ৰচেষ্টাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক বিৱৰি কয়। মধ্যাহ্ন আহাৰৰ পিছত সকলো ছাত্ৰ-ছাত্ৰী আৰু বিভাগৰ অধ্যাপক-অধ্যাপিকাসকল ৰাংচাপাৰাৰ অভিমুখে যাত্ৰা কৰে। ৰাংচাপাৰাত ছাত্ৰ-ছাত্ৰীসকলে ৰাভা জনগোষ্ঠীয় লোকসকলৰ সৈতে আন্তৰিক বাৰ্তালাপৰ যোগেদি তেওঁলোকৰ অঞ্চলটো পৰিষ্কাৰ কৰি ৰখাৰ কাৰ্যাৱলী, স্থানীয় লোকৰ দ্বাৰা নিয়ন্ত্ৰিত প্ৰশাসনিক নীতি-নিয়ম, তেওঁলোকৰ জীৱন-ধাৰণ প্ৰণালী আদি বিভিন্ন বিষয় সম্পৰ্কে জানিবলৈ চেষ্টা কৰে। যাত্ৰাৰ শেষত বিভাগৰ সহকাৰী অধ্যাপক বিদ্যুৎ দত্তই গোৱালপাৰা জিলাৰ ৰাভা জনগোষ্ঠীয় লোকসকলৰ এনে ব্যতিক্ৰমী ধৰণৰ প্ৰচেষ্টা অসমৰ বাবে গৌৰৱধ্বজা হোৱাৰ লগতে আদৰ্শ হিচাপে পৰিগণিত হোৱা উচিত বুলি ছাত্ৰ-ছাত্ৰীসকলৰ আগত মতপোষণ কৰে।



Scanned with OKEN Scanner

# গ্ৰন্থ উন্মোচনী সভা, ২০২৩

## *গ্ৰন্থ ঃ নগৰবেৰা ঃ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি*

**বিমলা** প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগটোৱে স্থানীয় সমাজখনৰ প্ৰতি দায়বদ্ধতাৰ পৰিচয় দি ইয়াৰ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি সম্পৰ্কত এখন গৱেষণামূলক গ্ৰন্থ প্ৰকাশ কৰে। বিগত বৰ্ষবোৰত পাঠ্যক্ৰমৰ ভিতৰুৱা বিষয় হিচাপে ছাত্ৰ-ছাত্ৰীসকলে স্থানীয় ভাষা-সাহিত্য-সমাজ-সংস্কৃতি সম্পৰ্কীয় বিভিন্ন দিশত ক্ষেত্ৰমূলক অধ্যয়নৰ জৰিয়তে সংগ্ৰহ কৰা তথ্যৰ ভিত্তিত প্ৰস্তুত কৰা গৱেষণা পত্ৰসমূহৰ প্ৰয়োজনীয় সংশোধন আৰু সম্পাদনা কৰি বিভাগৰ সহকাৰী অধ্যাপক বিদ্যুৎ দত্ত, শিল্পী শৰ্মা, ড° ৰুমী দাস আৰু ইৰা দাসে ইয়াক গ্ৰন্থৰ ৰূপ দিয়ে। বিভাগৰ উক্ত চাৰিগৰাকী অধ্যাপকে সম্পাদনা কৰা আৰু অসমীয়া বিভাগৰ সহযোগত গুৱাহাটীৰ পাণবজাৰস্থিত অসম বুক ট্ৰাষ্টে প্ৰকাশ কৰা গ্ৰন্থখনৰ বাবে প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়ায় বিভাগৰ মুৰব্বী শ্বাহজামাল মোল্লাই। গ্ৰন্থখনিৰ উন্মোচনী অনুষ্ঠান আয়োজন কৰা হয় মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সৈতে সংগতি ৰাখি ৫ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে মহাবিদ্যালয়খনৰ খেলপথাৰৰ প্ৰাংগণত। উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে বিভাগৰ প্ৰাক্তন অধ্যাপক ক্ৰমে নগেন্দ্ৰনাৰায়ণ দেৱান, শ্বাহজামাল মোল্লা আৰু লগতে বিভাগৰ বৰ্তমানৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে— বিদ্যুৎ দত্ত, শিল্পী শৰ্মা, ড° ৰুমী দাস আৰু ইৰা দাস। মহাবিদ্যালয়খনৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক মীনাক্ষি বড়ো






**বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী**

**প্ৰতিবেদক, দক্ষিণ বৰপেটা, ৭ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ নগৰবেৰাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সামৰণী অনুষ্ঠান উপলক্ষে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগে প্ৰকাশ কৰি উলিওৱা 'নগৰবেৰা ঃ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি' গ্ৰন্থখন যোৱা ৫ ফেব্ৰুৱাৰীত মহাবিদ্যালয় প্ৰাংগণত শুভ উন্মোচন কৰে। বিভাগটোৰ সহকাৰী অধ্যাপক-অধ্যাপিকা ক্ৰমে— বিদ্যুৎ দত্ত, শিল্পী শৰ্মা, ড° ৰুমী দাস আৰু ইৰা দাসে সম্পাদনা কৰা গ্ৰন্থখন উন্মোচন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি শ্যামাচৰণ ঠাকুৰীয়া আৰু মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক নগেন্দ্ৰ নাৰায়ণ দেৱানে। গ্ৰন্থখন উন্মোচন কৰি অধ্যাপক দেৱানে কয় যে নগৰবেৰা ঃ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি গ্ৰন্থখন নগৰবেৰা সম্পৰ্কীয় অধ্যয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সমল হোৱাৰ লগতে নগৰবেৰাৰ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি সম্পৰ্কীয় গৱেষণাৰ ক্ষেত্ৰতো গ্ৰন্থখনে বিশেষ সহায় কৰিব। বিভাগটোৰ সহকাৰী অধ্যাপক ড° ৰুমী দাসে স্বাগত ধৰা অনুষ্ঠানটোত গ্ৰন্থখনৰ সম্পাদকসকলৰ লগতে বহুসংখ্যক গণ্য-মান্য ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। মহাবিদ্যালয়খনৰ চৌহদত থকা গছৰ তলত অনাড়ম্বৰভাৱে অনুষ্ঠিত হোৱা অনুষ্ঠানটোৱে জাক-জমকতাৰে পৰিপূৰ্ণ পৃথিবীখনত এক নতুন বাৰ্তা বিলাব বুলি গ্ৰন্থখনৰ সম্পাদকসকলে আস্থা প্ৰকাশ কৰিছে। 'নগৰবেৰা ঃ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি' গ্ৰন্থখনত অন্তৰ্ভুক্ত হৈছে নগৰবেৰাৰ ভাষা-সাহিত্য-সমাজ-সংস্কৃতি। এই আটাইকেইটা দিশ সামৰি ক্ষেত্ৰভিত্তিক অধ্যয়নেৰে প্ৰস্তুত কৰা হৈছে কুৰিটাতকৈ অধিক গৱেষণাধৰ্মী প্ৰবন্ধ। এই গ্ৰন্থখনে নগৰবেৰা সম্পৰ্কীয় অধ্যয়নৰ ক্ষেত্ৰত বহুতো নতুন তথ্যৰ যোগান ধৰাৰ লগতে ভৱিষ্যতে এই বিষয়ত অধ্যয়ন আৰু গৱেষণাৰ ক্ষেত্ৰত অনুসন্ধিৎসু গৱেষকক গ্ৰন্থখনে বিশেষ সহায় কৰিব বুলি সম্পাদকসকলে জানিবলৈ দিয়ে। অসমৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী অসম বুক ট্ৰাষ্টৰ সহযোগত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগে উক্ত গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে।

আৰু উদ্ভিদবিজ্ঞান বিভাগৰ প্ৰতীশা দাসো উক্ত অনুষ্ঠানত উপস্থিত থাকে আৰু ই নগৰবেৰা অঞ্চলৰ বাবে ইতিবাচক খবৰ বুলি মন্তব্য প্ৰকাশ কৰে। অনুষ্ঠানটোত উন্মোচক হিচাপে উপস্থিত থকা নগেন্দ্ৰনাৰায়ণ দেৱান আৰু শ্যামাচৰণ ঠাকুৰীয়াই গ্ৰন্থখন উন্মোচন কৰি বিভাগটোক এনে কাৰ্যপন্থাৰ বাবে উচ্চ প্ৰশংসা কৰে। উন্মোচক দেৱানে গ্ৰন্থখন ছাত্ৰ-ছাত্ৰীসকলৰ পৰিশ্ৰমৰ প্ৰকৃত স্বীকৃতি বুলি কোৱাৰ লগতে ভৱিষ্যতৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব বুলি মতপোষণ কৰে। লগতে ঠাকুৰীয়াই গ্ৰন্থখনৰ সম্পৰ্কত মন্তব্য প্ৰকাশ কৰি কয় যে— গতানুগতিক চিন্তাধাৰাৰ পৰা আঁতৰি আহি নতুন চিন্তাৰে বিভাগটোৰ লগতে বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিয়াৰ ক্ষেত্ৰত গ্ৰন্থখনে বিশেষ ভূমিকা পালন কৰিব। অনুষ্ঠানটোত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলক এনেধৰণৰ গৱেষণামূলক কাম-কাজত নিয়োজিত হৈ মহাবিদ্যালয়খনৰ শৈক্ষিক মান উন্নত কৰাত তেওঁলোকৰ দায়বদ্ধতাৰ কথাও শ্যামা চৰণ ঠাকুৰীয়াই সোঁৱৰাই দিয়ে।



Scanned with OKEN Scanner

# অগতানুগতিক সংস্কৃত শিক্ষা কেন্দ্ৰৰ উদ্বোধনী আৰু পাঠ্যপুথি বিতৰণী অনুষ্ঠান, ২০২৩

**যোৱা** ১৩ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ উদ্যোগত কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়, নতুন দিল্লীৰ দ্বাৰা অনুমোদিত সংস্কৃত শিক্ষাৰ পাঠ্যক্ৰমৰ উদ্বোধনী আৰু পাঠ্যপুথি বিতৰণী অনুষ্ঠান অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানটোত উপস্থিত থাকে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমল চন্দ্ৰ পাঠক, আভ্যন্তৰীণ গুণমান নিশ্চিকৰণ কোষৰ সমন্বয়ক ড° অলকা হুজুৰী, কেন্দ্ৰ শিক্ষক ড° লক্ষ্মণ ৰয়, মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি বীৰেন্দ্ৰকুমাৰ বৰাৰ লগতে অসমীয়া বিভাগৰ সমূহ অধ্যাপক। মহাবিদ্যালয়খনৰ আন আন বিভাগৰ একাংশ অধ্যাপকৰ লগতে সংস্কৃত পাঠ্যক্ৰমত নামভৰ্তি কৰা সকলো ছাত্ৰ-ছাত্ৰীও উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰা বুলি অনুষ্ঠানটিৰ আঁত ধৰি অসমীয়া বিভাগৰ মুৰব্বী বিদ্যুৎ দত্তই প্ৰকাশ কৰে। অনুষ্ঠানটোত উদ্বোধনী ভাষণ ৰাখি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমল চন্দ্ৰ পাঠকে এনে পদক্ষেপে মহাবিদ্যালয়খনৰ শৈক্ষিক মানদণ্ড উন্নত কৰিব বুলি আশা প্ৰকাশ কৰাৰ লগতে বিশেষ উদ্যোগ গ্ৰহণ কৰা অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্বাহজামাল মোল্লা আৰু পাঠ্যক্ৰমৰ সমন্বয়ক হিচাপে দায়িত্ব গ্ৰহণ কৰা বিদ্যুৎ দত্তক কৃতজ্ঞতা জনায়। অনুষ্ঠানটিত উপস্থিত থকা কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ দ্বাৰা নিয়োজিত সংস্কৃত অধ্যাপক ড° লক্ষ্মণ ৰয়ক অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়খনলৈ স্বাগতম জনাই তেওঁৰ কাম-কাজত সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। অনুষ্ঠানত উপস্থিত থকা ড° অলকা হুজুৰী আৰু বীৰেন্দ্ৰকুমাৰ বৰায়ো শুভেচ্ছামূলক ভাষণ ৰাখি ই মহাবিদ্যালয়খনৰ বাবে সুখৰ খবৰ বুলি কয়। ড° লক্ষ্মণ ৰয়ে পাঠ্যক্ৰম সম্পৰ্কে বিৱৰণ দি কয়, "প্ৰথম বছৰটোত ছাত্ৰ-ছাত্ৰীসকলে চাৰ্টিফিকেট ক'ৰ্চ শেষ কৰি তাৰ পিছৰ বছৰটোত ডিপ্লমা পাঠ্যক্ৰম শেষ কৰিব পাৰিব।" প্ৰতি বছৰে পাঠ্যক্ৰমত নতুন ছাত্ৰ-ছাত্ৰী নামভৰ্তিৰ বাবে কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰা মহাবিদ্যালয়খনে অনুমোদন ল'ব লাগিব বুলিও জানিবলৈ দিয়ে। অনুষ্ঠানৰ শেষত অধ্যক্ষ, ড° লক্ষ্মণ ৰয় আৰু অন্যান্য অধ্যাপক-অধ্যাপিকাসকলৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ পাঠ্যপুথি গ্ৰহণ কৰে।







Scanned with OKEN Scanner

# আন্তৰ্জাতিক মাতৃভাষা দিৱস উদযাপন, ২০২৩

**যোৱা** ২১ ছেপ্তেম্বৰ, ২০২৩ তাৰিখে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু সাহিত্য কাননৰ যৌথ উদ্যোগত আন্তৰ্জাতিক মাতৃভাষা দিৱস অনুষ্ঠিত হৈ যায়। আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ সৈতে সংগতি ৰাখি এটি অনলাইন বক্তৃতানুষ্ঠান আৰু আন্তঃবিভাগীয় ভিত্তিত হাতেলিখা আলোচনী প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অনলাইন বক্তৃতানুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মুৰব্বী অধ্যাপক ড° জাহ্নৱী দেৱী। তেওঁৰ বক্তৃতাৰ বিষয় আছিল 'মাতৃভাষা ঃ গুৰুত্ব আৰু প্ৰয়োজনীয়তা'। অনুষ্ঠানটোত আদৰণি ভাষণ ৰাখে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমল চন্দ্ৰ পাঠকে। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° অলকা হুজুৰীয়ে শুভেচ্ছামূলক ভাষণ ৰাখি সমল ব্যক্তিগৰাকীক স্বাগতম জনায় আৰু অসমীয়া বিভাগক বক্তৃতানুষ্ঠানটি আয়োজন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। সমল ব্যক্তিগৰাকীয়ে আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ আৰম্ভণিৰ ইতিহাস, মাতৃভাষাত শিক্ষা আহৰণৰ গুৰুত্ব আৰু মাতৃভাষাক জীয়াই ৰখাৰ প্ৰয়োজনীয়তা আদি সম্পৰ্কত অতি বুদ্ধিদীপ্ত সাৰুৱা ভাষণ নিজস্ব বিচাৰ-বিশ্লেষণেৰে দাঙি ধৰে। বক্তৃতানুষ্ঠানটিত বিভাগটোৰ






অধ্যাপকসকলৰ লগতে মহাবিদ্যালয়খনৰ আন আন বিভাগৰ একাংশ অধ্যাপক আৰু আশীজনতকৈ অধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। আনহাতে, হাতেলিখা আলোচনী প্ৰতিযোগিতাখনত মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগ, অসমীয়া বিভাগ, শিক্ষা বিভাগ আৰু বাণিজ্য বিভাগে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ বাবে ৰাজনীতি বিজ্ঞান বিভাগে 'বিদ্যাজ্যোতি' নামেৰে, অসমীয়া বিভাগে 'প্ৰতীতি' নামেৰে, শিক্ষা বিভাগে 'সোপান' নামেৰে আৰু বাণিজ্য বিভাগে 'অবিৰুদ্ধ' নামেৰে হাতেলিখা আলোচনী প্ৰস্তুত কৰি জমা দিয়ে। ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা 'বিদ্যাজ্যোতি' আলোচনীয়ে শ্ৰেষ্ঠ আলোচনীৰ সন্মান লাভ কৰাৰ বিপৰীতে বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা 'অবিৰুদ্ধ' আলোচনীখন দ্বিতীয় শ্ৰেষ্ঠ আলোচনী হিচাপে পুৰস্কৃত হয়।



Scanned with OKEN Scanner

# গৱেষণা পদ্ধতি সম্পৰ্কীয় বিভাগীয় আলোচনাসত্ৰ, ২০২৩

**যোৱা** ২৩ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে অসমীয়া বিভাগে বিগত বৰ্ষৰ দৰে ছাত্ৰ-ছাত্ৰীসকলক গৱেষণা কাৰ্যৰ পদ্ধতি সম্পৰ্কে প্ৰাথমিক জ্ঞান দিয়াৰ বাবে এখন বিভাগীয় আলোচনাসত্ৰ অনুষ্ঠিত কৰে। আলোচনাসত্ৰখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়খনৰে ভূগোল বিভাগৰ সহকাৰী অধ্যাপক ড° বিমান লহকৰ আৰু পৰিসংখ্যা বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° ভূষিতা পাটোৱাৰী। আলোচনা সত্ৰখনত প্ৰায় ৬০ জনৰো অধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সমল ব্যক্তি দুয়োগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি গৱেষণা কৰ্ম এটাত আগবাঢ়োঁতে পালন কৰিবলগীয়া বিভিন্ন স্তৰ আৰু পদ্ধতিসমূহ পুংখানুপুংখবদ্ধভাৱে ফঁহিয়াই আলোচনা কৰে। ছাত্ৰ-ছাত্ৰীসকলেও এই সম্পৰ্কীয় বিভিন্ন প্ৰশ্ন উত্থাপন কৰি সমল ব্যক্তিদ্বয়ৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাসত্ৰখনত উপস্থিত থকা বিভাগৰ মুৰব্বী বিদ্যুৎ







দত্ত, সহকাৰী অধ্যাপক শিল্পী শৰ্মা, ড° ৰুমী দাস আৰু ইৰা দাসেও দুয়োগৰাকী সমল ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে আলোচনাত ভাগ লয়। আলোচনাসত্ৰখনে ছাত্ৰ-ছাত্ৰীসকলক গৱেষণা কাৰ্যত সহায় কৰাৰ লগতে ভৱিষ্যতে গৱেষণাধৰ্মী কাম-কাজ কৰাৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰিব বুলি বিভাগৰ মুৰব্বী বিদ্যুৎ দত্তই মত প্ৰকাশ কৰে।■

# প্ৰাক্তন মুৰব্বী অধ্যাপক শ্বাহজামাল মোল্লাৰ বিদায় উপলক্ষে গ্ৰন্থ উন্মোচনী সভা, ২০২৩


**যোৱা** ২১ মাৰ্চ, ২০২৩ তাৰিখে বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্বাহজামাল মোল্লাক বিভাগৰ তৰফৰ পৰা বিদায় সম্ভাষণ জনোৱা হয়। বিদায় সভাখনত সভাপতিত্ব কৰে বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আৰু তদানীন্তন মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি শ্যামা চৰণ ঠাকুৰীয়াই। বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে কৰা সমৱেত সংগীতৰ দ্বাৰা অনুষ্ঠানটোৰ শুভাৰম্ভণি হয়। অনুষ্ঠানটোৰ আৰম্ভণিতে বিভাগৰ মুৰব্বী বিদ্যুৎ দত্তই শ্বাহজামাল মোল্লাৰ জীৱন আৰু কৰ্ম সম্পৰ্কত আলোকপাত কৰে। তেওঁ মোল্লাৰ বিষয়ে বক্তব্য দাঙি ধৰি কয়, "শ্বাহজামাল মোল্লা ছাৰ আছিল বিভাগটোৰ বাবে বটবৃক্ষস্বৰূপ। নতুন চিন্তা আৰু কৰ্মৰ প্ৰতি



Scanned with OKEN Scanner

আছিল তেখেতৰ অপাৰ আগ্ৰহ। তেখেতৰ কৰ্ম আৰু চিন্তাৰ প্ৰভাৱ বিভাগটোৰ বাহিৰলৈকো প্ৰসাৰিত আছিল।” শ্বাহজামাল মোল্লাৰ বিদায় সভাৰ লগত সংগতি ৰাখি তেওঁৰ জীৱন আৰু ব্যক্তিত্বক আধাৰ হিচাপে লৈ বিভাগটোৰ ‘বিভাগীয় চ'ৰা'ৰ তৰফৰ পৰা এখনি অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰা হয়। সভাপতি শ্যামাচৰণ ঠাকুৰীয়াই গ্ৰন্থ প্ৰকাশৰ দৰে কামৰ বাবে বিভাগটোৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰশংসা







কৰাৰ লগতে ভৱিষ্যতেও এনেধৰণৰ কামৰ যোগেদি বিভাগটোক আগবঢ়াই লৈ যোৱাৰ আহ্বান জনায়। সভাত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বিভাগৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে— শিল্পী শৰ্মা, ড° ৰুমী দাস আৰু ইৰা দাসো উপস্থিত থাকে।

## বেজবৰুৱা স্মৰণ, ২০২৩

**যোৱা** ইংৰাজী ২৫ মাৰ্চ, ২০২৩ তাৰিখে বিভাগৰ শ্ৰেণীকোঠাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্টুপীয়াকৈ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ৮৫ সংখ্যক মৃত্যু দিৱসৰ সৈতে সংগতি ৰাখি এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। বেজবৰুৱাৰ মৃত্যু তিথি ২৬ মাৰ্চ যদিও উক্ত দিনটো দেওবাৰ হোৱাত এদিন আগতীয়াকৈ উক্ত অনুষ্ঠানটোৰ আয়োজন কৰা হয়। সভাখনত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰে পৰিসংখ্যা বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক যতীন্দ্ৰনাথ তালুকদাৰ। তেওঁ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু সৃষ্টি সম্পৰ্কত গুৰুত্বপূৰ্ণ বক্তব্য ৰাখে। সভাখনত বিভাগৰ মুৰব্বী অধ্যাপক বিদ্যুৎ দত্তয়ো বেজবৰুৱাৰ জীৱন আৰু সাহিত্যকৰ্ম সম্পৰ্কত চমু আলোকপাত কৰে। ইয়াৰোপৰিও সভাখনত বিভাগৰ সহকাৰী অধ্যাক ক্ৰমে— শিল্পী শৰ্মা, ড° ৰুমী দাস আৰু ইৰা দাসৰ লগতে বিভাগটোৰ ৩০ গৰাকীকৈ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।








Scanned with OKEN Scanner

# বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'দৃষ্টি- ২০২৩' উন্মোচন

**অসমীয়া** বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ মাধ্যম হিচাপে বিভাগটোৱে অন্যান্য আলোচনী প্ৰকাশ কৰাৰ সমান্তৰালভাৱে প্ৰতিবছৰেই বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'দৃষ্টি' প্ৰকাশ কৰি আহিছে। ২০২৩ বৰ্ষৰ সংখ্যাটো যোৱা ১২ এপ্ৰিল, ২০২৩ তাৰিখে উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে পৰিসংখ্যা বিজ্ঞান বিভাগৰ তদানীন্তন মুৰব্বী অধ্যাপক যতীন্দ্ৰনাথ তালুকদাৰে। তেওঁ পত্ৰিকাখন উন্মোচন কৰি পত্ৰিকাখনত প্ৰকাশ পোৱা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা সম্পৰ্কত চমুকৈ বক্তব্য ৰখাৰ লগতে প্ৰাচীৰ পত্ৰিকাখনৰ লগত জড়িত সকলো বিষয়ববীয়া আৰু সদস্যক ধন্যবাদ জ্ঞাপন কৰে আৰু এনেধৰণেই ভৱিষ্যতেও ছাত্ৰ-ছাত্ৰীসকলক নিজ সৃষ্টিশীলতাৰ কৰ্ষণ ঘটাই যাবলৈ আহ্বান জনায়।









Scanned with OKEN Scanner

# শিক্ষকৰ পৃষ্ঠা।। প্ৰকাশিত গৱেষণা পত্ৰ আৰু অন্যান্য

## সদ্য-অৱসৰপ্ৰাপ্ত বিভাগৰ অধ্যাপকসকল



নগেন্দ্ৰ নাৰায়ণ দেৱান

অৱসৰ গ্ৰহণ ঃ ২০১৯



দীপ্তিৰেখা পাঠক মজুমদাৰ

অৱসৰ গ্ৰহণ ঃ ২০১৯



শ্যামা চৰণ ঠাকুৰীয়া

অৱসৰ গ্ৰহণ ঃ ২০২০



শ্বাহজামাল মোল্লা

অৱসৰ গ্ৰহণ ঃ ২০২৩

## বিভাগৰ বৰ্তমানৰ অধ্যাপকসকল



বিদ্যুৎ দত্ত

মুৰব্বী অধ্যাপক



শিল্পী শৰ্মা

সহকাৰী অধ্যাপক



ড° ৰুমী দাস

সহকাৰী অধ্যাপক



ইৰা দাস

সহকাৰী অধ্যাপক

## প্ৰকাশিত গৱেষণা পত্ৰ আৰু অন্যান্য
## PUBLICATIONS, SEMINAR, ACHIEVMENTS AND OTHERS

### প্ৰকাশিত প্ৰবন্ধ আৰু অন্যান্য
### PUBLICATIONS

- Bidyut Dutta Published a *Book Chapter entitled Hustho Dehot Hustho Mon Aru Swasthya Chinta* published in *Borgohain Chorcha* and published by Dept. of Assamese, North Lakhimpur College (Auto.) & edited by Bhaskar Bhuyan, August, 2021, ISBN- 978-81-925881-5-5.
- Bidyut Dutta edited a book entitled *Tulanamulak Bharatiya Sahitya*, Published by Nitul Neog, Assam Book Trust, Panbazar, Ghy, May, 2021, 978-93-91403-08-9.
- Bidyut Dutta, Shilpi Sharmah, Dr. Rumi Das & Ira Das edited a book entitled *Nagarbera: Bhasa-Sahitya-Samaj-Sanskriti* and published by Dept. of Assamese, B. P. Chaliha College, Nagarbera on behalf of Nitul Neog, Assam Book Trust, Panbazar, Ghy, May, 2023, 978-93-91403-58-4.



Scanned with OKEN Scanner

- Bidyut Dutta and Shilpi Sharmah jointly published a Research Article on *Yaa Devi*, The Editors of the Journal are Dr. Manashi Das & Dr. Chandana Das. The name of the article is *Me-Too Andulan: Nari Hojagotar Anya Ek Taranga* and Published by Women Cell, Bongaigaon College, Bongaigaon. 2021-22, ISSN: 2321-5887.
- Bidyut Dutta published a Book Chapter entitled *A Doll's House: Abaselita Aru Shoshita Narir Swasata Rupar Prakakh*, on *Adhyanam* edited by Richa Gogoi & Nilakshi Deka and published by Purbayan Publication, February, 2022, 978-93-93881-26-7
- Bidyut Dutta published a Book Chapter entitled *Rukmini Saran Natar Pariveshansailee* on *Asomiya Natak Aru Pariveshan Sailee, edited by* Trinayan Dutta, Nabajit Borua & Himakshi Deka, published by Assam Book Trust, Panbazar, Guwahati, August, 2022, 987-93-91403-40-9
- Bidyut Dutta published a Research Article entitled *Pariparshik Sahitya Samalochanar Alokat Anuradha Sarma Pujarir Upanyash Eyat Ekhan Aronya Asil* on *Sampratik Asomiya Sahityar Adhyayan,* edited by Dr. Daisy Rani Deka & published by Purbayan Publication, Guwahati, June, 2023, 978-93-5860-028-5
- Bidyut Dutta published a Research Article entitled *Rajanikanta Bardoloir Manomoti Upanyash* on *Abhidhyan, edited by* Parishmita Mishra & Dipti Das, Research Scholar Forum, Dept. of Assamese, Bodoland University, Kokrajhar, Assam, March, 2023, 978-81-962487-0-3
- Shilpi Sharmah published a article entitled *Prasannalal Chaudhuryr Nilambar* on *Asomiya Natak Aru Paribeshan Sailee*, edited by Trinayan Dutta, Nabajit Borua & Himakshi Deka, Assam Book Trust, Panbazar,Guwahati August, 2022, ISBN: 987-93-91403-40-9
- Shilpi Sharmah published a article entitled *Gandhi Darshan* on *Adhyanam*, edited by Richa Gogoi & Nilakshi Deka, published by Purbayan Publication, Guwahati, February, 2022, ISBN: 978-9393881-26-7
- Shilpi Sharmah published a article entitled *Ekabingsha Satikar Duta Dasakar Asomiya Golpot Purakathar Punarnirman* on *Gariyashi (Monthly Assamese Magazine),* edited by Lakshminandan Borah and published by Sahitya-Prakash, Tribune Buildings, Guwahati, January, 2021, ISSN: 2349-5324



Scanned with OKEN Scanner

- Shilpi Sharmah published a article entitled *Fukor Khyamatar Dharona: Adhunik Rastrabyabastha,Gyan Aru Jounata* on *Samalochanatmak Jyancharcha*, Volume 2nd, May-Aug, 2021, edited by Samujjal Saikia & Jayanta Dutta, published by Assam Book Trust, Guwahati

- Shilpi Sharmah published a article entitled *Ekabinsha Satikar Upanyashot Lokokathar Punarnirman (Mridul Sarmar Tezimolar Makor Sadhu aru Juri Saikiar Sajbati Upanyashar Bisesh Ullikhanere)*on *Sampratik Asomiya Sahityar Adhayan*, edited by Dr. Daisy Rani Deka, Purbayan Publication, Panbazar, Guwahati Purbayan Publication, ISBN: 978-93-5860-028-5

- Shilpi Sharmah published a article entitled *Sampratik Samayar Prekhyapatat Jatiya Jivan Aru Bishnu Rabhar Prasangikata* on Cottonian (Annual Magazine of Cotton University), edited by Hrikesh Goswami, Cotton University, 2019-20, ISSN: 2394-1367

- Shilpi Sharmah published a article entitled *Padmanath Gohainboruar Sahityat Samaj-Rajanaitik Sinta*, *Padmanath Gohainboruah: Jatra Aru Matra*, edited by Tunujyoti Gogoi & published by J. S. Publications, Guwahati, 1st September, 2022, ISBN: 978-93-93419-13-2

- Dr. Rumi Das published a article entitled *Sampratik Samajor Nari Manashikata aru Chakil Jamalor 'Nila Nila Bedana': Ek Bisesh Ullikhansaha Alochona* on Dogo Rangsang, edited by Dr. Upen Rabha Hakacham, Dr. Lalit Ch. Rabha & Dr. Neeva Rani Phukan Guwahati University Campus, 2019, ISSN- 2347-7180

- Dr. Rumi Das published a article entitled *Uttar Shadhinata Yugar Natak aru Paribeshan Shailee* on *Asomiya Natak aru Paribesshan Shailee* edited by Dr. Bhanita Nath & Sangjukta Baruah and B.D. Prakash, Guwahati, 2023, ISBN- 978-81-954049-9-5

- Dr. Rumi Das published a article entitled *Datal Hatir Uye Khuwa Hawdat Prakriti Citran* on *Asamiya Chutigalpa aru Upanayas* edited by Dr. Bhanita Nath and published by B.D. Prakash, Guwahati, 2023, ISBN NO: 978-93-94134-01-0



Scanned with OKEN Scanner

## গৱেষণাপত্ৰ
## SEMINAR

- Bidyut Dutta presented a paper on International Symposium entitled *Asomot Anubad Sahityar Jonmo Aru Bikash: Ek Samikhyatmok Adhayan* organized by Dept. of Foreign Languages, Gauhati University, Gauhati, 20-21 January, 2020
- Bidyut Dutta & Shilpi Sharmah jointly presented a Seminar Paper entitled *Padmanath Gohainborooahr Abhivakhanawalit Jatiyatabadi Chinta*on National Seminar, organized by North Lakhimpur College & St. Cathedral Mission College,Venue: North Lakhimpur College, Lakhimpur. Date: 11th & 12th April, 2022
- Bidyut Dutta presented a Seminar Paper on International Seminar entitled *Sankardevar Rukmini Saran Natakar Nari Charitra,* organized by North Lakhimpur College & St. Cathedral Mission College, Venue: St. Cathedral Mission College, Kolkata, 25th & 26th March, 2023
- Shilpi Sharmah Presented a Seminar Paper entitled *Bhupen Hazarikar Geetat Marxiya Chinta* on National Seminar organised by Dept. of Assamese, Telahi Tuwaram Nath College, Telahi Tuwaram Nath College, 2019
- Shilpi Sharmah Presented a Seminar Paper entitled *Sampratik Asomiya Uttar-Adhunikatabadi Galpa (Prasanta Kumar Dasar Downtown Aru Dasaliya Galpar Bisesh Ullikhansaha)* on National Seminar Organised by Dept. of Assamese, Cotton University 2019
- Shilpi Sharmah Presented a Seminar Paper entitled *Pariparshik Sahitya Samalochanar Dristikonere Gobin Kumar Khaundar Rumyang* Upanyash on International Seminar, Organised by Dept. of Foreign Languages, Gauhati University, 2020
- Shilpi Sharmah & Dr. Rumi Das jointly presented a Seminar Paper entitled *Sankardevar Bargeetot Vedanta Darshan: Ek Abalokan* on international seminar organised by Dept. of Assamese, North Lakhimpur College (Autonomous), Assam & Dept.



Scanned with OKEN Scanner

of Bangla, St Paul's Cathedral Mission College, Kolkata, West Bengal, 25 & 26 March, 2023

- Dr. Rumi Das presented a paper entitled *Kalpa Bigyan Upanayas Mahaprasthanor Pathot Bigyan aru Bishayan* on International Seminar organized by Asomiya Sahitya Sanmilani in collaboration with Jyotibharati Institute of Education and Research, Dept. of Modern Indian Languages and Literary Studies, Gauhati University, 17 & 18 March, 2023

- Shilpi Sharmah completed a Research Project entitled *Binsha Satikar Aashi-Nabbay Dashakar Asomiya Chalachitrar Bisleshan: Jahnu Boruahr Charikhan Chalachitrar Bisesh Ullikhansaha*, Student Welfare Centre, Cotton University, 2019-20

## অন্যান্য
## OTHERS

- Bidyut Dutta done a Faculty Induction programme organized by Teaching Learning Centre, Tezpur University (Online) from 3rd August to 2nd September, 2021

- Bidyut Dutta done a Refresher Course on *Literature of North East Indian, Translation and National Integration* organized by Teaching Learning Centre, Tezpur University (Online)
13-27 December, 2022

- Shilpi Sharmah delivered a lecture on 19th Jun, 2023 at Department of Assamese, Dispur College, Dispur, Assam. Topic of the lecture was *AXOMIYA SUTIGOLPOR OTI SAMPRATIK TATTIK DRISTIKON*.

- Shilpi Sharmah done a Refresher Course on *Literature of North East Indian, Translation and National Integration* organized by Teaching Learning Centre, Tezpur University in association with Dept of Assamese, Tezpur University, December13-27, 2022 (Online mode)

- Shilpi Sharmah done a Faculty Development Programme entitled *Implementation of NEP 2020*



Scanned with OKEN Scanner


- *in Higher Education Institution* Organzed by Teaching Learning Centre, Tezpur University. 26 April-2May, 2023 (Online mode)
- Shilpi Sharmah done a Faculty Development Programme entitled *Tools and Technique of Online Teaching and learning* Organized by E&ICT Academy IIT Guwahati in Association with S.R College, Cachar and support from Mantra Association, 16th May – 21st May (Online mode)
- Shilpi Sharmah done a Faculty Induction Programme Organized by Teaching Learning Centre, Tezpur University, 02-31 August, 2023 (Online mode)
- Dr. Rumi Das done a Faculty Development Programme organized by IQAC, Swahid Smriti Mahavidyalaya from 1st Nov to 6th Nov 2022 in Online mode.
- Dr. Rumi Das done a Faculty Induction Programme organized by Teaching Learning Centre, University of Delhi from 21st Dec 2022 to 19th Jan 2023.
- Dr. Rumi Das attended a National Workshop organized by IQAC, D. K. Girl's College, Mirza from 5th to 11th March, 2019. Title of the Workshop was *Application of Research Methodology and Quantitative Techniques in Humanities and Social Science Research.*
- Dr. Rumi Das attended a National Workshop on *Intellectual Property Rights* organized by Research, Innovation and Extension Cell, IQAC, D.K. Girl's College, Mirza in collaboration with ICT Accademy on 26th May, 2023.




Scanned with OKEN Scanner

# বিভাগৰ প্ৰকাশনসমূহ


## DEPARTMENTAL PUBLICATIONS




প্ৰকাশ ঃ ২০১৫




প্ৰকাশ ঃ ২০১৪




প্ৰকাশ ঃ ২০২৩





প্ৰকাশ ঃ ২০১৩





প্ৰকাশ ঃ ২০১৪





প্ৰকাশ ঃ ২০১৫





প্ৰকাশ ঃ ২০২৩





প্ৰকাশ ঃ ২০১৪




প্ৰকাশ ঃ ২০১৪




প্ৰকাশ ঃ ২০২১




প্ৰকাশ ঃ ২০২৪



Scanned with OKEN Scanner

Results of the UG Final Semester, 2018-2023

(Assamese Honours)

Department of Assamese, B. P. Chaliha College, Nagarbera

| Year | Name of Course/Programme | Enrolled | | | Total Appeared | Total Passed | Pass percentage |
|---|---|---|---|---|---|---|---|
| | | Male | Female | Total | | | |
| 2018-19 | UG (M) | 18 | 27 | 45 | 42 | 41 | 93% |
| 2019-20 | UG (M) | 11 | 25 | 36 | 36 | 29 | 80.55% |
| 2020-21 | UG (M) | 8 | 31 | 39 | 27 | 26 | 99%` |
| 2021-22 | UG (M) | 19 | 29 | 48 | 28 | 26 | 92.85% |
| 2022-23 | UG (M) | 9 | 22 | 31 | 18 | 12 | 66.66 |



Scanned with OKEN Scanner






Scanned with OKEN Scanner